# তেওঁলোকে কি বিশ্বাস কৰে?

তেওঁলোকে আকাশ আৰু পৃথিৱী সৃষ্টি কৰা সৰ্ব্বশক্তিমান যিহোৱা ঈশ্বৰক বিশ্বাস কৰে। গোটেই বিশ্বত সৃষ্টি কৰা আচৰিত বস্তুসমূহে সকলোতকৈ জ্ঞানী আৰু শক্তিশালী সৃষ্টিকৰ্ত্তাজনৰ অস্তিত্ব থকা প্ৰমাণ দিয়ে। যিদৰে পুৰুষ আৰু স্ত্ৰীয়ে কাৰ্য্যৰ দ্বাৰা নিজৰ গুণসমূহ প্ৰকাশ কৰে, ঠিক সেইদৰে যিহোৱাৰ সৃষ্টিৰ দ্বাৰা তেওঁৰ গুণবোৰ প্ৰকাশ পায়। বাইবেলে আমাক এইদৰে কৈছে, "তেওঁৰ . . . অদৃশ্য গুণবোৰ জগতৰ সৃষ্টিকালৰে পৰা তেওঁৰ নানা কাৰ্য্যত বোধগম্য হৈ, স্পষ্টকৈ দেখা গৈছে।" তথাপিও কোনো শব্দ বা বাক্য উচ্চাৰণ নকৰাকৈ "গগণ-মণ্ডলে ঈশ্বৰৰ মহিমা প্ৰকাশ কৰে।"—ৰোমীয়া ১:২০; গীতমালা ১৯:১-৪.

কোনো মানুহে উদ্দেশ্যহীনভাৱে কোনো মাটিৰ পাত্ৰ বা টেলিভিছন আৰু কম্পিউটাৰ নিৰ্ম্মাণ নকৰে। ঈশ্বৰে এই পৃথিৱীত গছ-গছনি আৰু জীৱ-জন্তুক সকলোতকৈ আচৰিতভাৱে সৃষ্টি কৰিলে। মানুহৰ শৰীৰত থকা কোটি কোটি কোষসমূহৰ বিষয়ে বুজাটো হৈছে আমাৰ বোধগম্যৰ বাহিৰত। উদাহৰণস্বৰূপে, আমি বিবেচনা আৰু চিন্তা কৰা আমাৰ মগজুক কিমান যে আচৰিতৰূপে সৃষ্টি কৰা হৈছে! মানুহে আৱিষ্কাৰ কৰা বস্তুসমূহত যদি উদ্দেশ্য থাকে, তেনেহ'লে ইয়াত কোনো সন্দেহ নাই যে যিহোৱা ঈশ্বৰে কৰা আচৰিত সৃষ্টিসমূহতো নিশ্চয়ে এটা উদ্দেশ্য আছে! হিতোপদেশ ১৬:৪ পদত এইদৰে কৈছে: "যিহোৱাই নিজ অভিপ্ৰায়ৰ নিমিত্তে সকলোকে সৃষ্টি কৰিলে।"



*পৃথিৱীখন . . . যিহোৱাৰ দ্বাৰা সৃষ্টি কৰা হ'ল . . . চোৱা-চিতা কৰিবলৈ মানুহক . . . চিৰকালৰ বাসস্থানৰ বাবে দিয়া হ'ল*

যিহোৱাই এটা উদ্দেশ্যৰে পৃথিৱীখন নিৰ্ম্মাণ কৰিছিল, সেয়েহে তেওঁ প্ৰথম মানৱ দম্পতীক এইদৰে কৈছিল: "তোমালোক বহুবংশ হোৱা, আৰু বাঢ়ি বাঢ়ি পৃথিৱীখন পৰিপূৰ্ণ কৰা, . . . আৰু সমুদ্ৰৰ মাছ, আকাশৰ চৰাই, আৰু পৃথিৱীত বগাই ফুৰা সকলো জীৱজন্তুৰ ওপৰত অধিকাৰ চলোৱা।" (আদিপুস্তক ১:২৮) যিহেতু সেই দম্পতীয়ে অৱজ্ঞাকাৰী হোৱাৰ বাবে এই পৃথিৱীখন ধাৰ্ম্মিক মানৱ পৰিয়ালেৰে পৰিপূৰ্ণ, গছ-গছনি আৰু জীৱ-জন্তুবোৰক চোৱা-চিতা কৰাত বিফল হ'ল। কিন্তু তেওঁলোকৰ তেনে বিফলতাত যিহোৱাৰ উদ্দেশ্য বিফল নহ'ল। সেই ঘটনা ঘটিত হোৱা হাজাৰ হাজাৰ বছৰৰ পিছত এইদৰে লিখা হ'ল: "ঈশ্বৰ যি জনা পৃথিৱীৰ . . . স্থাপন কৰিলে, যি জনাই অনৰ্থকৰূপে সৃষ্টি নকৰি," তেওঁ "বাসস্থানৰ নিমিত্তেহে তাক নিৰ্ম্মাণ কৰিলে।" এই পৃথিৱীখন ধ্বংস হ'বলৈ নহয়, কিন্তু "পৃথিৱী সদায়" থাকিবলৈহে সৃষ্টি কৰিলে। (যিচয়া ৪৫:১৮; উপদেশক ১:৪) যিহোৱাই পৃথিৱীৰ প্ৰতি থকা

# যিহোৱাৰ সাক্ষীসকলকে কি বিশ্বাস কৰে

| বিশ্বাস কৰাৰ | শাস্ত্রীয় কাৰণসমূহ |
|---|---|
| বাইবেল হৈছে ঈশ্বৰৰ বাক্য আৰু সত্য | **২ তীম. ৩:১৬, ১৭; ২ পিত. ১:২০, ২১; যোহ. ১৭:১৭** |
| পৰম্পৰাগত ৰীতি-নীতিতকৈ বাইবেলখন হৈছে অধিক ভাৱসাযুক্ত | **মথি ১৫:৩; কল. ২:৮** |
| ঈশ্বৰৰ নাম হৈছে যিহোৱা | **গীত. ৮৩:১৮; যিচ. ২৬:৪; যিচ. ৪২:৮; যাত্রা. ৬:৩** |
| খ্রীষ্ট হৈছে ঈশ্বৰৰ পুত্ৰ আৰু তেওঁ ঈশ্বৰতকৈ নিম্ন | **মথি ৩:১৭; যোহ. ৮:৪২; ১৪:২৮; ২০:১৭; ১ কৰি. ১১:৩; ১ কৰি. ১৫:২৮** |
| খ্রীষ্ট হৈছে ঈশ্বৰৰ সৃষ্টিৰ প্ৰথমজাত | **কল. ১:১৫; প্রকা. ৩:১৪** |
| খ্রীষ্ট ক্রুচত নহয়, কিন্তু স্তম্ভত মৃত্যু হৈছিল | **গালা. ৩:১৪; পাঁচ. ৫:৩০** |
| খ্রীষ্টই নিজৰ মানৱ জীৱন আজ্ঞাকাৰী মানৱৰ বাবে মুক্তিপণ হিচাবে দান কৰিলে | **মথি ২০:২৬; ১ তীম. ২:৫, ৬; ১ পিত. ২:২৪** |
| খ্রীষ্টই এবাৰ দিয়া বলিদানেই যথেষ্ট | **ৰোমী. ৬:১০; ইব্ৰী ৯:২৫-২৮** |
| খ্রীষ্টই অবিনাশী আত্মিক ব্যক্তি হৈ মৃত্যুৰ পৰা জী উঠিল | **১ পিত. ৩:১৮; ৰোমী. ৬:৯; প্রকা. ১:১৭, ১৮** |
| খ্রীষ্টই আত্মিক ব্যক্তি হৈ উপস্থিত হ'ব | **যোহ. ১৪:১৯; মথি ২৪:৩; ২ কৰি. ৫:১৬; গীত. ১১০:১, ২** |
| বর্তমান আমি "শেষ-কালত" বাস কৰি আছোঁ | **মথি ২৪:৩-১৪; ২ তীম. ৩: ১-৫; লূক ১৭:২৬-৩০** |
| খ্রীষ্টৰ অধীনত ঈশ্বৰৰ ৰাজ্যই এই পৃথিৱীত ধাৰ্ম্মিকতা আৰু শান্তিৰে শাসন কৰিব | **যিচ. ৯:৬, ৭; যিচ. ১১:১-৫; দানি. ৭:১৩, ১৪; মথি ৬:১০** |
| ঈশ্বৰৰ ৰাজ্যই এই পৃথিৱীত জীয়াই থকাৰ এক উচ্চমান পৰিস্থিতি আনিব | **গীত. ৭২:১-৪; প্রকা. ৭:৯, ১০, ১৩-১৭; প্রকা. ২১:৩, ৪** |
| এই পৃথিৱীখন কেতিয়াও ধ্বংস বা জনশূন্য নহ'ব | **উপ. ১:৪; যিচ. ৪৫:১৮; গীত. ৭৮:৬৯** |
| ঈশ্বৰে বর্তমানৰ ৰীতি-ব্যৱস্থাক হৰমাগিদোনৰ যুদ্ধত ধ্বংস কৰিব | **প্রকা. ১৬:১৪, ১৬; চফ. ৩:৮; দানি. ২:৪৪; যিচ. ৩৪:২; যিচ. ৫৫:১০, ১১** |
| দুষ্ট লোকসকলক চিৰকালৰ বাবে ধ্বংস কৰা হ'ব | **মথি ২৫:৪১-৪৬; ২ থিচ. ১:৬-৯** |
| যিসকলে ঈশ্বৰৰ অনুমোদন লাভ কৰিব তেওঁলোকে চিৰকালৰ বাবে জীয়াই থকাৰ আশীৰ্ব্বাদ প্ৰাপ্ত কৰিব | **যোহ. ৩:১৬; যোহ. ১০:২৭, ২৮; যোহ. ১৭:৩; মাৰ্ক ১০:২৯, ৩০** |
| কেৱল এটাহে জীৱনৰ পথ আছে | **মথি ৭:১৩, ১৪; ইফি. ৪:৪, ৫** |
| আদমৰ পাপৰ বাবে সকলো মানুহৰ মৃত্যু হয় | **ৰোমী. ৫:১২; ৬:২৩** |
| মৃত্যুত এজন ব্যক্তিৰ প্ৰাণ সম্পূৰ্ণকৈ অস্তিত্বহীন হয় | **যিহি. ১৮:৪; উপ. ৯:১০; গীত. ৬:৫; গীত. ১৪৬:৪; যোহ. ১১:১১-১৪** |
| নৰক হৈছে মানৱজাতিৰ সাধাৰণ কবৰ | **ইয়ো. ১৪:১৩; প্রকা. ২০:১৩, ১৪** |
| মৃতবিলাকৰ পুনৰুত্থান হোৱাৰ আশা আছে | **১ কৰি. ১৫:২০-২২; যোহ. ৫:২৮, ২৯; যোহ. ১১:২৫, ২৬** |
| আদমৰ পৰা অহা মৃত্যু লুপ্ত হ'ব | **১ কৰি. ১৫:২৬, ৫৪; প্রকা. ২১:৪; যিচ. ২৫:৮** |
| ১,৪৪,০০০ জনেৰে গঠিত কেৱল তাকৰ জাকটিয়ে স্বৰ্গলৈ গৈ খ্রীষ্টৰ সৈতে শাসন কৰিব | **লূক ১২:৩২; প্রকা. ১৪:১, ৩; ১ কৰি. ১৫:৪০-৫৩; প্রকা. ৫:৯, ১০** |
| ১,৪৪,০০০ জনে পুনৰাই ঈশ্বৰৰ আত্মিক পুত্ৰ হিচাবে জন্মগ্ৰহণ কৰিছে | **১ পিত. ১:২৩; যোহ. ৩:৩; প্রকা. ৭:৩, ৪** |
| আত্মিক ইস্ৰায়েলসকলৰ সৈতে এটি নতুন নিয়ম স্থাপন কৰা হ'ল | **যিৰি. ৩১:৩১; ইব্ৰী ৮:১০-১৩** |
| খ্রীষ্টৰ মণ্ডলী তেওঁৰ ওপৰত স্থাপিত কৰা হ'ল | **ইফি. ২:২০; যিচ. ২৮:১৬; মথি ২১:৪২** |
| খ্রীষ্টৰ যোগেদিহে যিহোৱালৈ প্ৰাৰ্থনা কৰা আৱশ্যক | **যোহ. ১৪:৬, ১৩, ১৪; ১ তীম. ২:৫** |
| উপাসনাৰ বাবে কোনো মূৰ্ত্তি ব্যৱহাৰ কৰা উচিত নহয় | **যাত্রা. ২০:৪, ৫; লেবী. ২৬:১; ১ কৰি. ১০:১৪; গীত. ১১৫:৪-৮** |
| প্ৰেতাত্মাবাদ নিশ্চয়ে বৰ্জ্জন কৰা উচিত | **দ্বিবতী. ১৮:১০-১২; গালা. ৫:১৯-২১; লেবী. ১৯:৩১** |
| চয়তান হৈছে এই জগতৰ অদৃশ্য শাসক | **১ যোহ. ৫:১৯; ২ কৰি. ৪:৪; যোহ. ১২:৩১** |
| এজন খ্রীষ্টান ব্যক্তিয়ে কোনো আন ধৰ্ম্মীয়বিশ্বাসৰ কাৰ্য্যসমূহত ভাগ লোৱা উচিত নহয় | **২ কৰি. ৬:১৪-১৭; ১১: ১৩-১৫; গালা. ৫:৯; দ্বিবতী. ৭:১-৫.** |
| এজন খ্রীষ্টান ব্যক্তিয়ে অৱশ্যেই এই জগতৰ ভাগ হোৱা উচিত নহয় | **যাকো. ৪:৪; ১ যোহ. ২:১৫; যোহ. ১৫:১৯; যোহ. ১৭:১৬** |
| ঈশ্বৰৰ নিয়মৰ সৈতে বিৰোধীতা নোহোৱা মানুহৰ নিয়মসমূহক পালন কৰা | **মথি ২২:২০, ২১; ১ পিত. ২:১২; ১ পিত. ৪:১৫** |
| মুখেৰে বা ইঞ্জেক্চনেৰে শৰীৰত তেজ লোৱাৰ অৰ্থ হৈছে ঈশ্বৰৰ ব্যৱস্থাক উলঙ্ঘন কৰা | **আদি. ৯:৩, ৪; লেবী. ১৭:১৪; পাঁচ. ১৫:২৮, ২৯** |
| নৈতিকতাৰ বিষয়ে দিয়া বাইবেলৰ নিয়মসমূহক নিশ্চয়ে পালন কৰা আৱশ্যক | **১ কৰি. ৬:৯, ১০; ইব্ৰী ১৩:৪; ১ তীম. ৩:২; হিতো. ৫:১-২৩** |
| কেৱল ইহুদীসকলক বিশ্ৰাম-দিন পালন কৰিবলৈ আজ্ঞা দিছিল আৰু মোচিৰ নিয়ম ব্যৱস্থাৰ সৈতে ইয়াৰো অন্ত পৰিল | **দ্বিবতী. ৫:১৫; যাত্রা. ৩১:১৩; ৰোমী. ১০:৪; গালা. ৪:৯, ১০; কল. ২:১৬, ১৭** |
| যাজক বা পাদুৰী বৰ্গ আৰু বিশেষ উপাধি গ্ৰহণ কৰাটো উচিত নহয় | **মথি ২৩:৮-১২; ২০:২৫-২৭** |
| সৃষ্টিত মানুহ জড়িত নাছিল, কিন্তু মানুহক সৃষ্টি কৰা হৈছিল | **যিচ. ৪৫:১২; আদি. ১:২৭; মথি ১৯:৪** |
| খ্রীষ্টই ৰখা আৰ্হিক অনুকৰণ কৰি ঈশ্বৰক উপাসনা কৰা উচিত | **১ পিত. ২:২১; ইব্ৰী ১০:৭; যোহ. ৪:৩৪; যোহ. ৬:৩৮** |
| সম্পূৰ্ণকৈ পানীত নিমজ্জিত হৈ বাপ্তিস্মা লোৱাটো সমৰ্পণক চিহ্নিত কৰে | **মাৰ্ক ১:৯, ১০; যোহ. ৩:২৩; পাঁচ. ১৯:৪, ৫** |
| খ্রীষ্টানসকলে আনন্দিত হৈ ৰাইজৰ আগত শাস্ত্রীয় সত্যতাক প্রচাৰ কৰে | **ৰোমী. ১০:১০; ইব্ৰী ১৩:১৫; যিচ. ৪৩:১০-১২** |

উদ্দেশ্যৰ বিষয়ে এইদৰে কৈছিল: “মোৰ কল্পনা থিৰে থাকিব, আৰু মোৰ সকলো বাঞ্ছা সিদ্ধ কৰিম।”—যিচয়া ৪৬:১০.

সেয়েহে যিহোৱাৰ সাক্ষীসকলে বিশ্বাস কৰে যে এই পৃথিৱীখন চিৰকালৰ বাবে অস্তিত্বত থাকিব, যি মৃত আৰু জীৱিত লোকসকলে তেওঁৰ উদ্দেশ্যক শুশোভিত কৰে তেওঁলোকে এই পৃথিৱীৰ বাসস্থানত চিৰকলীয়া জীৱন-যাপন কৰিব। সকলো মানুহে আদম আৰু হৱাৰ পৰা অসিদ্ধতাক উত্তৰাধিকাৰৰূপে পোৱাৰ বাবে তেওঁলোক পাপত জন্ম হ’ল। (ৰোমীয়া ৫:১২) বাইবেলে আমাক এইদৰে কৈছে: “পাপৰ বেচ মৃত্যু।” “কিয়নো জীৱিত লোকবিলাকে মৰিম বুলি জানে; কিন্তু মৃত লোকবিলাকে একোকেই নাজানে।” “যি প্ৰাণীয়ে পাপ কৰে, সেই প্ৰাণীহে মৰিব।” (ৰোমীয়া ৬:২৩; উপদেশক ৯:৫; যিহিস্কেল ১৮:৪, ২০) তেতিয়াহ’লে মৃতবিলাকে এই পৃথিৱীত জিয়াই থকাৰ আশীৰ্ব্বাদসমূহ লাভ কৰিবলৈ পুনৰাই জী উঠিব পাৰিবনে? একমাত্ৰ যীচু খ্ৰীষ্টৰ মুক্তিপণ বলিদানৰ দ্বাৰা এইটো সম্ভৱ, কিয়নো তেওঁ এইদৰে কৈছিল: “ময়েই পুনৰুত্থানো আৰু জীৱনো। যি কোনোৱে মোত বিশ্বাস কৰে, তেওঁ মৰিলেও জীব।” “মৈদামত থকা সকলোৱে তেওঁৰ মাত শুনি, . . . পুনৰুত্থানলৈ ওলাব, সেই কাল আহিছে।”—যোহন ৫:২৮, ২৯; যোহন ১১:২৫; মথি ২০:২৮.





এইটো কেনেকৈ হ’ব? সেই বিষয়ে যীচুৱে এই পৃথিৱীত আৰম্ভ কৰা “ৰাজ্যৰ শুভবাৰ্ত্তা” প্ৰচাৰ কাৰ্য্যত বৰ্ণনা কৰিছিল। (মথি ৪:১৭-২৩) কিন্তু বৰ্তমান সময়ত যিহোৱাৰ সাক্ষীসকলে এক বিশেষ প্ৰকাৰে শুভবাৰ্ত্তা প্ৰচাৰ কৰিছে।

